তোমালোকৰ মাজৰ কোনোবাই যদি অজু কৰি মোজা পৰিধান কৰে, তেন্তে তেওঁ যেন সেই মোজাৰ ওপৰত মছেহ কৰে। এই মোজা পৰিধান কৰিয়ে তেওঁ নামাজ পঢ়িব পাৰিব। আনহাতে ডাঙৰ নাপাকী নোহোৱাকৈ এইটো খোলাৰ প্ৰয়োজন নাই।

আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বর্ণিত যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "তোমালোকৰ মাজৰ কোনোবাই যদি অজু কৰি মোজা পৰিধান কৰে, তেন্তে তেওঁ যেন সেই মোজাৰ ওপৰত মছেহ কৰে। এই মোজা পৰিধান কৰিয়ে তেওঁ নামাজ পঢ়িব পাৰিব। আনহাতে ডাঙৰ নাপাকী নোহোৱাকৈ এইটো খোলাৰ প্ৰয়োজন নাই।"
[ছহীহ] [(দাৰু কুতনী)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত এই কথা উল্লেখ কৰিছে যে, যদি কোনো মুছলিম ব্যক্তিয়ে অজু কৰাৰ পিছত মোজা পৰিধান কৰে, ইয়াৰ পিছত অজু ভংগ হোৱাৰ ফলত তেওঁ অজু কৰিব বিচাৰিলে সেই মোজাৰ ওপৰতে মছেহ কৰিব পাৰিব। লগতে নিৰ্দিষ্ট সময় পৰ্যন্ত এই মোজা নোখোলাকৈয়ে নামাজ পঢ়িব পাৰিব। কিন্তু যদি গোছল ফৰজ হয় তেন্তে মোজা খুলিব লাগিব।

http://sunnah.global/hadeeth/as/show/8392